মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

১১ বহাগ, ১৯৪৬ শকাব্দ
WEDNESDAY, APRIL 24, 2024
www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১১৪
Guwahati, Assam ।। মূল্যঃ এটকা

## হনুমান চালিছাৰ নাম লৈ কংগ্ৰেছক টাৰ্গেট মোদীৰ

**জয়পুৰ, ২৩ এপ্ৰিলঃ** আকৌ ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিৰে প্ৰচাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ৰাজস্থানৰ বনস্বৰাত লোকসভা নিৰ্বাচনৰ শেষাংশ ২ পৃষ্ঠাত

**যুদ্ধংদেহি ভূপেন বৰা**

## হিমন্ত বিশ্ব জাতিৰ শত্ৰু!



**ই-সংবাদ, ২৩ এপ্ৰিলঃ** ৫ লক্ষাধিক হাজং চাকমা শৰণাৰ্থীক অসমত সংস্থাপিত কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্দেশ অনুযায়ী ৰাজ্যৰ শেষাংশ ৩ পৃষ্ঠাত

## ৭ মে' পৰ্যন্ত জেলতে থাকিব কেজৰিৱাল

**নতুন দিল্লী, ২৩ এপ্ৰিলঃ** নিৰ্বাচনী বতৰতো কাৰাগাৰৰ কুঠৰীতে সময় পাৰ কৰিব লাগিব দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। দিল্লীৰ সুৰা নীতি কেলেংকাৰীত ধন শেষাংশ ৩ পৃষ্ঠাত

**অস্বস্তিত মুখ্যমন্ত্ৰী**

## ৰিজিজুৰে ৰাজনীতি কৰা বুলি দাবী

**ই-সংবাদ, ২৩ এপ্ৰিলঃ** অৰুণাচলত শৰণাৰ্থী হিচাপে বসবাস কৰি থকা চাকমা আৰু হাজংসকলক অসমত সংস্থাপন দিবৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শেষাংশ ৩ পৃষ্ঠাত

৫ পৃষ্ঠাত ৬৭খন কাকতত বিজ্ঞাপন দিয়ো গালি খাইছে ৰামদেৱে

৮ পৃষ্ঠাত টকাৰ টোপোলা লৈ মুছলিমৰ ভোট কিনিবলৈ ঘূৰি ফুৰিছে পীয়ুষে!

# নগাঁও কাগজ কলৰ পেলনীয়া সা-সামগ্ৰীতো চকু মুখ্যমন্ত্ৰী হিমন্তৰ

## ৭০০ কোটিৰ সামগ্ৰী ১০০ কোটিটেই গতালে অতি ঘনিষ্ঠ ব্যৱসায়ীক




**ই-সংবাদ, ২৩ এপ্ৰিলঃ** কেন্দ্ৰ আৰু ৰাজ্যত চৰকাৰ গঠন কৰিব পাৰিলেই বিজেপিয়ে জাগীৰোড আৰু কাছাৰৰ কাগজ কল দুটা পুনৰ উজ্জীৱিত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত চৰকাৰ গঠনৰ পিছত জাগীৰোডস্থিত আৰু কাছাৰস্থিত দুয়োটা কাগজ কলৰ কৰ্মচাৰীসকলে সাক্ষাৎ বিচাৰিও কেবাবাৰো বিমুখ হ'বলগীয়া হৈছিল। বহুজন কৰ্মচাৰীয়ে আত্মহননৰ পথ বাছি ল'বলগীয়া হ'ল। তাৰ মাজতে বিধানসভা চলি থকাৰ শেষাংশ ২ পৃষ্ঠাত



মাজুলীত বিতৰ্কিত মন্তব্য কৰাৰ কেইটামান মুহূৰ্ত পূৰ্বে এনেদৰেই দেখা গৈছিল জুবিন গাৰ্গক

৬ পৃষ্ঠাত আকৌ বিতৰ্ক! নিশা মাজুলীত সত্ৰাধিকাৰক অপমান জুবিন গাৰ্গৰ

৪ পৃষ্ঠাত চীনৰ আগ্ৰাসনক লৈ সৰৱ সাংসদৰ টিকট কৰ্তন বিজেপিৰ

প্ৰথম পৃষ্ঠাৰ পৰা...

# নগাঁও কাগজ কলৰ পেলনীয়া

সময়তে জাগীৰোড কাগজ কলত কৰ্মৰত এজন কৰ্মচাৰীৰ কন্যাই দৰ্শকৰ গেলাৰীৰ পৰা উচুপি উঠি অধ্যক্ষ হিতেন্দ্ৰনাথ গোস্বামীৰ দৃষ্টি আকৰ্ষণ কৰাত বিষয়টোৰ পুনৰ চৰ্চা হৈছিল আৰু শীঘ্ৰে জাগীৰোড কাগজ কল কেন্দ্ৰীয় চৰকাৰৰ সহযোগত পুনৰ সচল কৰাৰ প্ৰতিশ্ৰুতি দিছিল তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছত ডঃ হিমন্ত বিশ্ব শৰ্মাই দুয়োটা কাগজ কল চলোৱা হ'ব বুলি সংবাদমেলত ঘোষণা কৰিছিল। বিগত সময়ছোৱাত হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা ফুটুকাৰ ফেনলৈ পৰিৱৰ্তন হোৱা ৰাইজে দেখিলে। তাতকৈ ডাঙৰ কথাটো হ'ল বন্ধ হৈ পৰা জাগীৰোড কাগজ কলৰ পেলনীয়া সা-সামগ্ৰী বিক্ৰী কৰাতো এইবাৰ হাত উজান দিলে স্বয়ং মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠই। অশোক ধানুকা নামৰ বহু বিতৰ্কিত মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ ঘনিষ্ঠ ব্যৱসায়ীজনৰ তত্বাৱধানত জাগীৰোড কাগজ কলৰ অৱশিষ্ট যন্ত্ৰ-পাতি আৰু লোহা-লক্কৰৰ বিক্ৰীৰ নামত ১০০ কোটি টকাৰ নিবিদা আহ্বান হৈছিল আৰু গোটেই প্ৰক্ৰিয়াটোত অভিষেক জালান নামৰ এজন লোকৰ নামো জড়িত হৈ পৰিছে বুলি অভিযোগ উঠিছে। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰীৰ হৈ অদৃষ্ট শক্তি হিচাপে কাম কৰি থকা অশোক ধানুকাই মুখ্যমন্ত্ৰীৰ নামত দাবী-ধমকি দি প্ৰায় ৬০০-৭০০ কোটি মূল্যৰ জাগীৰোড কাগজ কলৰ অৱশিষ্ট অংশ ১০০ কোটি টকাতেই নিবিদাৰ জৰিয়তে ব্যৱসায় কৰাৰ দিহা কৰি লয় বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ২০২১ চনতেই অনলাইনযোগে নগাঁও কাগজ কলৰ স্ক্ৰেপ বিক্ৰীৰ বাবে নিবিদা আহ্বান কৰা হৈছিল। কিন্তু কোনো প্ৰতিষ্ঠানে নিৰ্ধাৰিত সময়ৰ ভিতৰত জমা দিবলগীয়া ৫৫ কোটি টকা আদায় দি আবেদন নকৰাত নিবিদা বাতিল কৰা হয়। নিবিদা বাতিলৰ প্ৰায় এমাহৰ পিছতে নিবিদাৰ মূল্য পূৰ্বৰ ১১৩৯ কোটি টকাৰ পৰা ৯৭০ কোটি টকালৈ হ্ৰাস কৰা হয় আৰু সময়সীমা ২০২২ চনলৈকে বৃদ্ধি কৰা হয়। ইয়াৰ পিছতে ২০২২ চনত অসম চৰকাৰৰ কেবিনেটে নিবিদাত অংশগ্ৰহণৰ বাবে ৩৭৫ কোটি টকা মোকলাই দিবলৈকো সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই সিদ্ধান্ত অনুযায়ী অসম চৰকাৰে ৩৭৫ কোটি টকাত ২০২২ চনৰ ২৮ মাৰ্চত কাগজ কল দুটাৰ মালিকীস্বত্ব কেন্দ্ৰীয় চৰকাৰৰ সংস্থা হিন্দুস্থান পেপাৰ কৰ্পৰেশ্যন লিমিটেডৰ পৰা নিজৰ হাতলৈ নিয়ে। অধিকাৰ হস্তগত কৰিয়েই জাগীৰোডস্থিত কাগজ কলৰ এলেকা টাটাক ছেমি কনডাক্টৰ উদ্যোগ স্থাপনৰ বাবে গতাই দিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰাত ততাতৈয়াকৈ স্ক্ৰেপ বিক্ৰী কৰিবলৈ বাধ্য হৈ পৰে অসম চৰকাৰ। এই অনুযায়ী অতি কৌশলেৰে ৰাজ্য চৰকাৰে মাত্ৰ ১০০ কোটি টকাতেই মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ ব্যৱসায়ীৰ হাতত কাগজ কলটোৰ পেলনীয়া সা-সামগ্ৰী গতাই দিয়া বুলি অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে এই পৰ্যন্ত কাগজ কল দুটাত কৰ্মৰত ৮৯ জন শ্ৰমিক তথা কৰ্মচাৰীয়ে আৰ্থিক অভাৱকে ধৰি ভিন্ন সমস্যাৰ সৈতে যুঁজি মৃত্যুক সাবতি ল'বলগীয়া হৈছে। চৰকাৰ গঠন কৰিয়েই কাগজ কল দুটা পুনৰুজ্জীৱিত কৰাৰ প্ৰতিশ্ৰুতি দিয়া কেন্দ্ৰ আৰু ৰাজ্য উভয়তে শাসনত থকা বিজেপি চৰকাৰৰ কাৰ্যকালতে পুনৰুজ্জীৱিত হোৱাৰ বিপৰীতে ২০১৫ চনত কাছাৰ কাগজ কল আৰু ২০১৭ চনত জাগীৰোডস্থিত নগাঁও কাগজ কলটো বন্ধ হৈ পৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হনুমান চালিছাৰ নাম লৈ

প্ৰচাৰত কংগ্ৰেছ আৰু মুছলমানক লক্ষ্য কৰি প্ৰধানমন্ত্ৰীয়ে কৰা মন্তব্যক লৈ সৃষ্টি হোৱা বিতৰ্ক মাৰ নৌযাওতেই পুনৰ ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিৰে ভোট লাভৰ চেষ্টাত নমাৰ অভিযোগ উত্থাপন হৈছে মোদীৰ বিৰুদ্ধে। মঙলবাৰে ৰাজস্থানৰে আন এটা লোকসভা সমষ্টি টংক-ছাৱাই মাধোপুৰত বিজেপিৰ এখন সভাত ভাষণ দি নৰেন্দ্ৰ মোদীয়ে কয় যে কংগ্ৰেছৰ শাসনত হনুমান চালিছাৰ কথা শুনাটোও অপৰাধ। তেওঁ কয়, 'কেইদিনমান আগৰ হনুমান জয়ন্তীৰ দিনাৰ কথা এটা মনত পৰে। কংগ্ৰেছ শাসিত কৰ্ণাটকত এজন ব্যৱসায়ীয়ে নিজৰ দোকানত বহি হনুমান চলিছা শুনি আছিল। আৰু সেই অপৰাধৰ বাবে তেওঁক মৰিয়াই ৰক্তাক্ত কৰা হ'ল।' মোদীয়ে লগতে অভিযোগ কৰে যে ৰাজস্থানৰ পূৰ্বৰ কংগ্ৰেছ শাসিত চৰকাৰে ৰাম নৱমীৰ দিনা শোভাযাত্ৰা নিষিদ্ধ কৰিছিল। ইয়াৰ পূৰ্বে দেওবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বনস্বৰাত সম্বোধন কৰা জনসভাৰ সময়ত প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙে ২০০৬ চনত কৰা এক মন্তব্য বিকৃত ৰূপত উপস্থাপন কৰি কংগ্ৰেছৰ লগতে মুছলমানসকলকো আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। প্ৰসংগক্ৰমে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে শেহতীয়াকৈ হায়দৰাবাদত কৈছিল যে কংগ্ৰেছ ক্ষমতালৈ আহিলে আৰ্থ-সামাজিক সমীক্ষা কৰি চাব যে যিকোনো শ্ৰেণীৰ হাতত কিমান ধন-সম্পত্তি আছে। সেই বক্তব্য টানি আনি মোদীয়ে বনস্বৰাত কয়, "প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙে পূৰ্বতে কৈছিল যে দেশৰ ধন-সম্পত্তিৰ ওপৰত মুছলমানসকলৰ সৰ্বোচ্চ অধিকাৰ আছে। সেইবাবেই কংগ্ৰেছে এক সমীক্ষা চলোৱাৰ পৰিকল্পনা কৰিছে। যাতে দেশবাসীৰ কষ্টোপাৰ্জিত ধন মুছলমান আৰু অনুপ্ৰৱেশকাৰীৰ মাজত বিতৰণ কৰিব পৰা যায়।' ভাষণত তেওঁ দাবী কৰিছিল, "কংগ্ৰেছৰ ইস্তাহাৰত কোৱা হৈছে যে তেওঁলোকে মাতৃ-ভগ্নীৰ সোণৰ হিচাপ কৰি, ইয়াৰ তথ্য লাভ কৰিব আৰু তাৰ পিছত যিসকলক মনমোহন সিঙৰ চৰকাৰে কৈছিল যে সম্পত্তিৰ ওপৰত মুছলমানৰ প্ৰথম অধিকাৰ আছে, তেওঁলোকক বিতৰণ কৰিব। এই নগৰীয়া নক্সাল চিন্তাবোৰে আপোনাৰ মংগলসূত্ৰ ডালো আপোনাৰ সৈতে থাকিবলৈ নিদিব।"আনহাতে প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত বিজেপিয়ে প্ৰত্যাশাজনক ফলাফল লাভ নকৰাটো নিশ্চিত হৈ পৰাৰ বাবেই এতিয়া নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ আন নেতাসকলে ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিৰ খেল আৰম্ভ কৰিছে বুলি অভিযোগ কৰিছে বিৰোধী নেতাসকলে। বিৰোধী কংগ্ৰেছৰ লগতে আন দলসমূহৰ নেতাসকলেও অভিযোগ তুলিছে যে প্ৰধানমন্ত্ৰী মোদী আৰু বিজেপিৰ আন নেতাৰ বিৰুদ্ধে নিৰ্বাচনী আচৰণবিধি ভংগ কৰাৰ অসংখ্য অভিযোগ দাখিল কৰাৰ পিছতো নিৰ্বাচন আয়োগে এবাৰলৈও তেওঁলোকক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৭ মে’ পৰ্যন্ত জেলতে থাকিব

সৰবৰাহৰ গোচৰত ইডিয়ে গ্ৰেপ্তাৰ কৰা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু একেটা গোচৰতে গ্ৰেপ্তাৰ কৰা তেলেংগানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাওৰ কন্যা তথা ৰাজ্যিক বিধান পৰিষদৰ সদস্যা কে কবিতাৰ ন্যায়িক জিম্মাৰ ম্যাদ ৭ মে’লৈক বৃদ্ধি কৰিছে আদালতে। উল্লেখ্য যে, সুৰা নীতি কেলেংকাৰী গোচৰত যোৱা ২১ মাৰ্চত গ্ৰেপ্তাৰ কৰা হৈছিল কেজৰিৱালক। তাৰ পিছত ১ এপ্ৰিলৰ পৰা তিহাৰ জে’লত বন্দী হৈ আছে দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকী। ইফালে কেজৰিৱালৰ এখন আবেদন উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে, য’ত তেওঁ ধন সৰবৰাহৰ অভিযোগত ২১ মাৰ্চত ইডিয়ে কৰা গ্ৰেপ্তাৰক প্ৰত্যাহ্বান জনাইছে। ১৫ এপ্ৰিলত আদালতে গোচৰৰ শুনানি গ্ৰহণ কৰিছিল যদিও ফেডাৰেল এজেন্সীৰ সঁহাৰি নোপোৱালৈকে কেজৰিৱালক তাৎক্ষণিক সকাহ দিবলৈ অস্বীকাৰ কৰে আদালতে। ইয়াৰ পূৰ্বে দিল্লী উচ্চ ন্যায়ালয়ে একেখন আবেদন খাৰিজ কৰি কেজৰিৱালৰ বিৰুদ্ধে ইডিয়ে যথেষ্ট তথ্য আদালতত দাখিল কৰা মন্তব্য কৰিছিল। মন কৰিবলগীয়া যে, গোৱা আৰু পঞ্জাৱত আম আদমী পাৰ্টিৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে কেজৰিৱালে ১০০ কোটি টকাৰ উৎকোচ লোৱা বুলি দাবী কৰিছিল ইডিয়ে। অন্যহাতে কেজৰিৱালে কাৰাগাৰত চিকিৎসকৰ পৰামৰ্শ বিচাৰি দাখিল কৰা আন এখন আবেদনৰ সময়তো আদালতত উদ্ভট যুক্তি দিয়া দেখা যায় ইডিৰ অধিবক্তাই। ডায়েবেটিছ ৰোগত আক্ৰান্ত কেজৰিৱালে শাৰীৰিক অসুস্থতাৰ দোহাই দি জামিন লাভ কৰিবলৈ জানি বুজি কাৰাগাৰৰ ভিতৰত আম, পুৰীৰ দৰে খাদ্য অধিক পৰিমাণে খোৱা বুলি দাবী কৰে ইডিয়ে। অন্যহাতে কেজৰিৱালৰ বিৰুদ্ধে ইডিয়ে উত্থাপন কৰা সকলো অভিযোগ বিজেপিৰ ষড়যন্ত্ৰ বুলি দাবী কৰি আহিছে আম আদমী পাৰ্টিয়ে। লোকসভা নিৰ্বাচনত মোদীৰ অন্যতম প্ৰতিদ্বন্দ্বী কেজৰিৱালৰ বিৰুদ্ধে ভিত্তিহীন অভিযোগেৰে ৰাজনৈতিক প্ৰতিশোধ লোৱাৰ অভিযোগ কৰে আপ দলটোৱে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্ব জাতিৰ শত্ৰু!

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক ভয়ংকৰ ব্লু-প্ৰিণ্ট ৰচনা কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে অৰুণাচলত এক সংবাদমেলৰ দ্বাৰা এই ভয়ানক ষড়যন্ত্ৰৰ কথা ঘোষণা কৰাৰ পিছত অনাগত দিনত অসমৰ বাবে এক ভয়ংকৰ পৰিস্থিতি উদ্ভৱ হোৱাৰ আশংকা কৰিছে। আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই বৰপেটা লোকসভা সমষ্টিৰ জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী দ্বীপ বায়নৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ এই বক্তব্য প্ৰদান কৰে। অসমৰ নতুন প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত অসমৰ ৰাইজক অমিত শ্বাহ আৰু হিমন্ত বিশ্ব শৰ্মাৰ ষড়যন্ত্ৰ ওফৰাবলৈ অহা ২৬ এপ্ৰিল আৰু ৭ মে’ত বিজেপিৰ বিৰুদ্ধে ভোট দিবৰ বাবে প্ৰদেশ কংগ্ৰেছৰ নেতাজনে আহ্বান জনায়। বৰাই সংবাদ মাধ্যমৰ আগত কয় যে বিজেপিক ভোট দিয়া মানে অসমে আকৌ বিদেশীৰ বোজা গ্ৰহণ কৰিবলৈ বাধ্য হোৱা কথাটোকেই সূচাব। অসমৰ মানুহৰ মূৰত লাখ লাখ বিদেশীৰ বোজা জাপি দিয়াৰ ষড়যন্ত্ৰ কৰা এই চৰকাৰক ওফৰাবৰ বাবে ৰাইজে এতিয়া সিদ্ধান্ত ল’ব লাগে। বৰাই কয়, অসম চুক্তিক এসময়ত গীতা, কোৰাণ, বাইবেল বুলি স্বীকাৰ কৰা বিজেপিয়ে এতিয়া চুক্তিৰ মূল আত্মাক নস্যাৎ কৰি অবৈধভাৱে 'কা' জাপি দিছে। ইয়াতে ক্ষান্ত নাথাকি এই চৰকাৰে অৰুণাচলত থকা ৫ লাখ হাজং চাকমাক অসমলৈ অনাৰ ব্যৱস্থা কৰিছে। বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মাই অমিত শ্বাহে নিৰ্দেশ দিলে হাউছিং কলনিত বাসগৃহ নিৰ্মাণ কৰি হ’লেও অৰুণাচলে খেদি দিয়া শৰণাৰ্থীক অসমত সংস্থাপন কৰিব। নিজৰ বিৰুদ্ধে থকা গোচৰৰ ফাইল পুনৰ নুখুলিবৰ বাবেই জাতিৰ শত্ৰু হিমন্ত বিশ্ব শৰ্মাই অমিত শ্বাহৰ নিৰ্দেশ অমান্য কৰাৰ সাহস নকৰে। ৰাইজে মনত ৰখা ভাল যে বিজেপি চৰকাৰ কেন্দ্ৰত পুনৰ আহিলেই অসম বিদেশীৰ চৰণীয়া পথাৰত পৰিণত হ’ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমীয়া জাতিৰ বিৰুদ্ধে এক ডাঙৰ ষড়যন্ত্ৰত লিপ্ত হোৱা বুলি কৈ বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মা জাতিৰ বাবে মুঠেই দায়বদ্ধ নহয়। হিমন্তই ব্যক্তিগত লাভৰ বাবেহে সদায় ৰাজনীতি কৰি আহিছে। এইজন নেতাই জাতীয় স্বাৰ্থক কুঠাৰাঘাত কৰি নিজৰ ৰাজনৈতিক লাভালাভৰ বাবে যিকোনো পৰ্যায়লৈ যাব পাৰে বুলিও বৰাই উল্লেখ কৰে আৰু ৰাইজক ভোটৰ জৰিয়তে জাতীয় স্বাৰ্থ সুৰক্ষিত কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে ৰিজিজুৰ মন্তব্যৰ পিছতে ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰিজিজুৱে ৰাজনীতি কৰা বুলি

শৰ্মাৰ সৈতে আলোচনাত মিলিত হোৱাৰ বুলি দাবী কৰিছিল কেন্দ্ৰীয় মন্ত্ৰী তথা অৰুণাচলৰ সাংসদ কিৰেণ ৰিজিজুৱে৷ কিৰেণ ৰিৰিজুৰ দাবীৰ পাছতে অসমৰ ৰাজনীতিত ধুমুহাৰ সৃষ্টি হোৱাত তাৎক্ষণিকভাৱে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কিৰেণ ৰিজিজুৰ দাবীক নস্যাৎ কৰিছে৷ কিৰেণ ৰিজিজুৰ দাবীক নস্যাৎ কৰিছে ৰাজনৈতিক মন্তব্য আখ্যা দিছে হিমন্ত বিশ্ব শৰ্মাই৷ চাকমা আৰু হাজং শৰণাৰ্থীক অসমলৈ স্থানান্তৰিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে হোৱা আলোচনাৰ দাবীকো খণ্ডন কৰিছে হিমন্ত বিশ্ব শৰ্মাই। ইটানগৰত এখন সংবাদমেল পাতি কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৰ মন্তব্যৰ পাছতে অৰুণাচল প্ৰদেশৰ পৰা শৰণাৰ্থীসকলক নাগৰিকত্ব সংশোধনী আইন অধীনত অসমলৈ স্থানান্তৰিত কৰাৰ ইংগিত দিছিল৷ হিমন্ত বিশ্ব শৰ্মাই ৰিজিজুৰ বক্তব্যক খাৰিজ কৰি কয় যে ভাৰত চৰকাৰে অসম চৰকাৰৰ সৈতে এনে ধৰণৰ কোনো আলোচনাত কৰা হোৱা নাই। ৰিজিজুৰ মন্তব্যক অৰুণাচল প্ৰদেশৰ ৰাজনীতিৰ সৈতে জড়িত বুলি দাবী কৰি সকলো দাবীৰ সত্যতা নাই বুলি কয় হিমন্ত বিশ্ব শৰ্মাই৷ আজি সাংবাদিকৰ মুখামুখি হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে শৰণাৰ্থীসকলক পুনৰ বসতি স্থাপনৰ বাবে অসমত কোনো ভূমি উপলব্ধ কৰা নহয়৷

জ্ঞানৰত্ন সাহিত্য অকাডেমী

# কণ্ঠশিল্পী নাহিদ আফ্ৰিনক প্ৰদান কলা ৰত্ন বঁটা



**ই-সংবাদ, লাহৰীঘাট, ২৩ এপ্ৰিলঃ** গুৱাহাটী বেলতলাস্থিত অমলপ্ৰভা ভৱনত যোৱা ২১ এপ্ৰিল তাৰিখ দেওবাৰে জ্ঞান ৰত্ন সাহিত্য অকাডেমীৰ অষ্টম সংখ্যক অধিৱেশন আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানটিত সভাপতিৰ আসন অলংকৃত কৰে জ্ঞানৰত্ন সাহিত্য একাডেমীৰ স্থায়ী সভাপতি ড০ হেমচন্দ্ৰ বৰ্মনে। বন্তি প্ৰজ্বলনৰ দ্বাৰা অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিশিষ্ট লেখক তথা সাহিত্যিক ড০ হেমন্ত কুমাৰ দাসে, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মনিপুৰ ৰাজ্যৰ জ্ঞানৰত্ন সাহিত্য একাডেমীৰ ৰাজ্যিক সভাপতি লাণজিৎ সিং আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও জিলাৰ কৃতী শিক্ষক বঁটা প্ৰাপ্ত প্ৰধান শিক্ষক মকবুল হুছেইন, শিৱসাগৰ জিলাৰ বিশিষ্ট শিক্ষাবিদ অকন বৰা,আবু ছোফিয়ান বেগ সভাপতি জ্ঞানৰত্ন সাহিত্য একাডেমী হোজাই ইয়াৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা কবি, সাহিত্য, লেখক-লেখিকা তথা কেইবাজনো শিল্পী উপস্থিত থাকে। শতাধিক লোকৰ উপস্থিতিয়ে জ্ঞানৰত্ন সাহিত্য অকাডেমীৰ অষ্টম সংখ্যক অধিবেশনখনি আটকধুনীয়া হৈ উঠে। উল্লেখ্য যে ২০২১ চনত এই অনুষ্ঠানটিৰ আৰম্ভ হয়। যিসকল ব্যক্তিয়ে নিজৰ বহু মূলীয়া শ্ৰম দান দি সমাজৰ বিভিন্ন দিশত নিস্বাৰ্থ ভাবে সেৱা আগবঢ়াই আছে তেখেত সকলক সময়ে সময়ে এই অনুষ্ঠানৰ যোগেদি প্ৰেৰণা মূলক বঁটা প্ৰদান কৰি অহা হৈছে যাতে ইয়াৰ পৰা অনুপ্ৰাণিত হৈ আৰু দ্বিগুণ উৎসাহৰে ভাষা-সাহিত্য, সংস্কৃতি তথা দেশ দহৰ বাবে সেৱা কৰিবলৈ আগবাঢ়ি আহে। এইবেলি এই অনুষ্ঠানটিৰ যোগেদি কণ্ঠশিল্পী নাহিদ আফ্ৰিনলৈ আগবঢ়োৱা হয় কলা ৰত্ন বঁটা আৰু কেইবাজনো কবি, সাহিত্যকৰ লগতে আন বহু প্ৰতিভাৱানসকললৈ কেইবাটাও বঁটা প্ৰদান কৰা হয়।

# চীনৰ আগ্ৰাসনক লৈ সৰৱ সাংসদৰ টিকট কৰ্তন বিজেপিৰ

## অৰুণাচলৰ ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়া

**ইটানগৰ, ২৩ এপ্ৰিলঃ** ভাৰতৰ মাটিত চীনৰ আগ্ৰাসনক লৈ সৰৱ হৈ অহা বিজেপি সাংসদৰে টিকট কৰ্তন কৰিলে বিজেপিয়ে। লাডাখৰ একমাত্ৰ লোকসভা আসনৰ বাবে মঙলবাৰে প্ৰাৰ্থীৰ নাম ঘোষণা কৰি বিদায়ী বিজেপি সাংসদ জামিয়াং শ্বেৰিং নামগিলায়ৰ ঠাইত তাছি গ্যালছনক প্ৰাৰ্থিত্ব প্ৰদান কৰে বিজেপিয়ে। উল্লেখ্য যে, লোকসভা অধিৱেশনৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰদান কৰা চীনৰ আগ্ৰাসনৰ তথ্যৰ বিৰোধিতা কৰি সাংসদ জামিয়াং শ্বেৰিং নামগিয়ালে স্পষ্ট ভাষাত অভিযোগ কৰিছিল যে চীনা সেনা এতিয়াও ভাৰতীয় ভূখণ্ড লাডাখত বাহৰ পাতি আছে। বিগত ৫ বছৰ ধৰি চীনৰ আগ্ৰাসনক লৈ সৰৱ হৈ অহা সাংসদগৰাকীক এইবাৰ বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান নকৰাক লৈও উত্থাপন হৈছে প্ৰশ্নৰ। ইফালে এইবাৰ বিজেপিয়ে কেন্দ্ৰীয় শাসিত অঞ্চল লাডাখৰ একমাত্ৰ লোকসভা আসনৰ বাবে প্ৰাৰ্থিত্ব প্ৰদান কৰা তাছি গ্যালছন হৈছে বিজেপি নিয়ন্ত্ৰিত স্বায়ত্ত শাসিত লাডাখ পাহাৰ পৰিষদৰ অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়া। উল্লেখ্য যে, অহা ২০ মে'ত লাডাখ লোকসভাৰ আসনত ভোটদান অনুষ্ঠিত হ'ব। এই আসনখনত মূল যুঁজখন হ'ব বিজেপি আৰু ৰাষ্ট্ৰীয় সন্মিলনৰ সমৰ্থিত কংগ্ৰেছ প্ৰাৰ্থীৰ মাজত। সেই কেন্দ্ৰৰ লেহ উপত্যকাত বৌদ্ধ ধৰ্মৰ সংখ্যাগৰিষ্ঠ যদিও কাৰ্গিলত ছিয়া মুছলমান সংখ্যাগৰিষ্ঠ। লেহত সাংগঠনিকভাৱে শক্তিশালী বিজেপি। কাৰ্গিলত আগবাঢ়িছে বিৰোধী মিত্ৰজোঁট। এই পৰিস্থিতিত শেহতীয়াকৈ লেহ বৌদ্ধ সম্প্ৰদায়ৰ এটা অংশই নামগিয়ালৰ বিৰুদ্ধে আন্দোলন কৰে। তাৰ বাবেই তেওঁক প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত কৰা হৈছে।



হিন্দু কি মুছলমান... নগাঁৱত সুৰেশ বৰাৰ হৈ এনেদৰে ভোট ভিক্ষা মন্ত্ৰী পীযুষ হাজৰিকাৰ, মঙলবাৰে

## শিলচৰৰ সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দাবী

# 'বিজেপি নেতৃত্বাধীন এনডিএ-ই ৪০০খন আসন পাৰ কৰাটো নিশ্চিত'

**ই-সংবাদ, ২৩ এপ্ৰিল :** "কংগ্ৰেছৰ শাসনকালত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ স্বাৰ্থজড়িত বিষয় লৈ কেন্দ্ৰীয় মন্ত্ৰী, বিষয়াৰ সাক্ষাৎ পাবলৈ দিল্লীত দিনৰ পাছত দিন বোন্দাপৰ দিবলগীয়া হৈছিল। তেতিয়াই দেখিবলৈ পাইছিলোঁ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনগণৰ প্ৰতি কংগ্ৰেছৰ নেতা, পালিনেতাৰ অৱহেলা, অনীহা আৰু নিষ্পেষণৰ মনোভাৱ।। কিন্তু তাৰ বিপৰীতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত বিজেপি চৰকাৰ শাসনলৈ অহাৰ পৰাই সমগ্ৰ উত্তৰ- পূৰ্বৰ সমান্তৰালকৈ বৰাক উপত্যকাইও উন্নয়নৰ নৱজাগৰণৰ সাক্ষী হৈছে। মঙলবাৰে শিলচৰৰ এক সভাত এইদৰে মন্তব্য কৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। সোণোৱালে লগতে এন ডি এ ৪০০খন আসন পাৰ কৰাটো নিশ্চিত বুলি দাবী কৰে।

## পতঞ্জলিৰ কাণ্ড-কাৰখানাক লৈ ক্ষুব্ধ আদালত

# ৬৭খন কাকতত বিজ্ঞাপন দিয়ো ৰক্ষা পোৱা নাই ৰামদেৱে

**নতুন দিল্লী, ২৩ এপ্ৰিলঃ** নিজৰ প্ৰডাক্টৰ বিজ্ঞাপনত বিভ্ৰান্তিকৰ তথ্য প্ৰকাশ কৰি বিপাঙত পৰা পতঞ্জলিৰ এতিয়াও শেষ হোৱা নাই বিপত্তি। আজি উচ্চতম ন্যায়ালয়ত এই গোচৰৰ শুনানিৰ সময়ত পুনৰ ভৎসৰ্নাৰ সন্মুখীন হ'বলগীয়া হ'ল পতঞ্জলি আয়ুৰ্বেদ। আজি ন্যায়াধীশ হিমা কোহলী আৰু ন্যায়াধীশ অমনাতুল্লাহৰ বিচাৰপীঠৰ সন্মুখত পতঞ্জলিৰ হৈ অধিবক্তা মুকুল ৰোহাটগীয়ে কয়, 'আমি ক্ষমা বিচাৰিছো। আমাৰ ক্ষমাপত্ৰ ৬৭খন কাকতত প্ৰকাশ কৰা হৈছে।' পতঞ্জলিৰ এই উত্তৰত ন্যায়াধীশ হিমা কোহলীয়ে কয়, 'আপোনালোকৰ বিজ্ঞাপনৰ যি আকাৰ, এই বিজ্ঞাপনৰ আকাৰো একেই নে? এই বিজ্ঞাপনবোৰৰ কাটিং লৈ আমালৈ পঠিয়াওক। সেইবোৰ ডাঙৰ কৰাৰ প্ৰয়োজন নাই। আমি ইয়াৰ প্ৰকৃত আকাৰ চাব বিচাৰো। এইটোৱেই আমাৰ নিৰ্দেশনা।' ন্যায়াধীশ কোহলীয়ে কয় যে যেতিয়া আপুনি বিজ্ঞাপন প্ৰকাশ কৰে তেতিয়া ইয়াৰ অৰ্থ এইটো নহয় যে আমি ইয়াক মাইক্ৰস্কোপৰ জৰিয়তে চাম। কেৱল পৃষ্ঠাতেই থাকিব নালাগে, পঢ়িবও লাগে। ইফালে আদালতে ৰামদেৱ আৰু বালকৃষ্ণক ভুল কৰা বুলি উল্লেখ কৰি আগন্তুক দুদিনৰ ভিতৰত অন ৰেকৰ্ড ক্ষমাপ্ৰাৰ্থনা জাৰি কৰিবলৈ নিৰ্দেশ দিয়ে। ৩০ এপ্ৰিলত এই গোচৰৰ পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব আদালতে। অন্যহাতে ২২ এপ্ৰিলত একাংশ কাকতত ক্ষমাপ্ৰাৰ্থনা প্ৰকাশ কৰিছে পতঞ্জলি আয়ুৰ্বেদে। এই ক্ষমা প্ৰাৰ্থনাত পতঞ্জলিয়ে লিখিছে, 'আমি উচ্চতম ন্যায়ালয়ক সম্পূৰ্ণ সন্মান কৰোঁ। আমাৰ অধিবক্তাই উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল কৰিছিল, তাৰ পিছত আমি বিজ্ঞাপনটো প্ৰকাশ কৰি সংবাদমেল পাতিছিলো। ইয়াৰ বাবে আমি ক্ষমা বিচাৰিছো। ভৱিষ্যতে কেতিয়াও এনে ভুলৰ পুনৰাবৃত্তি নহয়।'



# নগাঁও চহৰত মন্ত্ৰী পীযুষ হাজৰিকাৰ বিশাল ৰোড শ্ব'

**ই-সংবাদ, ১১এপ্ৰিল:** মঙ্গলবাৰে নগাঁৱত বিজেপি প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ বিশাল ৰোড শ্ব'ত অংশগ্ৰহণ কৰে মন্ত্ৰী পীযুষ হাজৰিকাই। নগাঁও চহৰৰ মাজেৰে উলিওৱা এই ৰোড শ্ব'ত অংশ ল'বলৈ দলে-বলে কেইবা সহস্ৰাধিক লোক ওলাই অহা পৰিলক্ষিত হয়। দলৰ নেতা-কৰ্মী তথা সমৰ্থকসকলে বিজেপিৰ জয়ধ্বনি দি ৰেলী বাহিৰ কৰে । এই ৰোড শ্ব'ত মন্ত্ৰী পীযুষ হাজৰীকাক সংগ দিয়ে বিধায়ক ৰূপক শৰ্মাৰ লগতে প্ৰাৰ্থী সুৰেশ বৰাই। মন্ত্ৰীগৰাকীয়ে কয় যে সুৰেশ বৰাৰ জয় নিশ্চিত। আনহাতে কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈক কটাক্ষ কৰি কয়- টেঙা আম দুবাৰ বেছিব নোৱাৰে । প্ৰদ্যুৎ বৰদলৈ টেঙা আম । অকৰ্মন্য সাংসদ প্ৰদ্যুৎ বৰদলৈ । নগাঁৱৰ কাৰণে একো কাম নকৰা অকৰ্মন্য সাংসদ প্ৰদ্যুৎ বৰদলৈক নগাঁৱৰ ৰাইজে ভোট নিদিয়ে । লগতে পীযুষহাজৰীকাৰ সুৰতে সুৰ মিলাই বিধায়ক ৰূপক শৰ্মাইও সুৰেশ বৰাৰ জয় নিশ্চিত বুলি কয় ।

# মৰিগাঁৱত ২হাজাৰ টকাত সন্তানক বিক্ৰী



**ই-সংবাদ, জাগীৰোড, ২৩ এপ্ৰিলঃ** মৰিগাঁও জিলাত কেতিয়াও নোহোৱা-নোপোজা কাণ্ড সংঘটিত হৈছে। দম্পতীয়ে মাথোঁ ২ হাজাৰ টকাত মধ্যস্থতাকৰীৰ জড়িয়তে সদ্যোজাত সন্তানক বিক্ৰীৰ অভিযোগ উত্থাপন হৈছে। নিজ গৰ্ভত ১০ মাহ ১০ দিন থিতাপি লৈ পৃথীৱিলৈ অহা ১০ দিনীয়া সন্তানটোক আনৰ তুলি দিছিল দিগেন বিশ্বাসৰ পত্নী লক্ষী বিশ্বাসে। মৰিগাঁও জিলাৰ বাকৰি চাপৰিত সংঘটিত হৈছে এনে অবাঞ্চিত ঘটনা। জানিব পৰা মতে, বাকৰি চাপৰিৰ বাসিন্দা দিগেন বিশ্বাসৰ পত্নী লক্ষী বিশ্বাস ১০ দিন পূৰ্বে এটি কন্যা সন্তান জন্ম দিছিল। কিন্তু জন্মৰ দিন পাছতে আজি পানী কেঁচুৱাটোক মণ্ডলদৈৰ শিক্ষক দম্পতীক বিক্ৰীৰ সময়তে ধৰা পৰে। পানী কেঁচুৱা বিক্ৰী কাণ্ডত মধ্যস্থতাকাৰী কৰিছিল নৃপেন মণ্ডল নামৰ লোকজনে। নৃপেন মণ্ডলে মাতি অনা মণ্ডলদৈৰ শিক্ষক দম্পতীয়ে কেঁচুৱাটোক নিব ওলোৱাৰ সময়তে ধৰা পৰে। ধৰমতুল আৰক্ষী থানাৰ অন্তৰ্গত বাকৰি চাপৰি দিগেন বিশ্বাস পত্নী লক্ষী বিশ্বাসে মাথোঁ ২০০০ টকাত কেঁচুৱাটো বিক্ৰী কৰিছিল বুলি অভিযোগ উত্থাপন হৈছে। লক্ষী বিশ্বাসে গৰ্ভত সন্তান থকাৰ সময়ত চিকিৎসালয়লৈ যোৱা নাছিল। সকলো গোপনে ৰাখিছিল। গোপনে কন্যা সন্তানটোক জন্ম দিয়াৰ আঁৰতো আছে ৰহস্য। অভিযোগ মাতে দিগেন বিশ্বাসৰ পত্নী লক্ষী বিশ্বাসে দম্পতীক গৰ্ভ ভাড়াত দিছিল। সৰবৰাহকাৰী নৃপেন মণ্ডলৰ জড়িয়তে টকা লৈ সন্তানটোক জন্ম দিছিল। যাৰ পৰিপ্ৰেক্ষিতত সন্তান জন্ম দিয়াৰ পাছতে টকাৰ বিনিময়ত শিক্ষক দম্পতীৰ হাতত তুলি দিছিল। মৰিগাঁও জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই কেঁচুৱাটো উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে।

## নিপাত যাব! সত্ৰাধিকাৰেও জুবিন গাৰ্গক দিলে অভিশাপ

# মাজুলীত সত্ৰাধিকাৰক নিশা ঘোৰ অপমান জুবিনৰ

**ই-সংবাদ, মাজুলী, ২৩ এপ্ৰিলঃ** বিহু মঞ্চত গীত গাবলৈ উঠি পুনৰ এবাৰ বিতৰ্কৰ মাজত সোমাই পৰিল কণ্ঠশিল্পী জুবিন গাৰ্গ। এইবাৰ সত্ৰৰ সত্ৰাধিকাৰসকলক লৈ মন্তব্য কৰি সত্ৰাধিকাৰৰ পৰা দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱাৰ শাওপাতো পাবলগীয়া হ'ল জুবিন গাৰ্গে। মাজুলীত বিহুৰ সংগীতানুষ্ঠান পৰিৱেশন কৰিবলৈ গৈ বিতৰ্কিত মন্তব্য কৰা জুবিন গাৰ্গক লৈ এতিয়া সামাজিক মাধ্যমতো উঠিছে ক্ষোভৰ উকমুকনি। উল্লেখ্য যে, সোমবাৰে মাজুলীৰ গড়মূৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত হৈছিল জুবিন গাৰ্গৰ সংগীতানুষ্ঠান। এই অনুষ্ঠানতে কেইবাগৰাকীও সত্ৰাধিকাৰৰ উপস্থিতিত 'সংগীত সিন্ধু' সন্মান প্ৰদান কৰা হয় জুবিন গাৰ্গক। কণ্ঠশিল্পীগৰাকীয়ে শ্ৰী শ্ৰী গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ গোস্বামীৰ হাতৰ পৰা এই উপাধি গ্ৰহণকৰাৰ পিছতে মঞ্চৰ পৰা সত্ৰাধিকাৰসকলক প্ৰভু ঈশ্বৰ বুলি কোৱাৰ বিৰোধিতা কৰে। তেওঁ কয়, 'সত্ৰাধিকাৰসকলক প্ৰভু ঈশ্বৰ বুলি সম্বোধন কৰিলে বেয়া পাও।' ইয়াৰ পিছতে 'ঘেণ্টা প্ৰভু ঈশ্বৰ' বুলি কৈ সত্ৰনগৰী মাজুলীৰ আঁচলত বিতৰ্কৰ সূচনা কৰে জুবিন গাৰ্গে। অৱশ্যে পৰৱৰ্তী সময়ত এনে মন্তব্যৰ বাবে ক্ষমাও বিচাৰে জুবিনে। কিন্তু তেওঁৰ এনে মন্তব্যৰ পিছতে এতিয়া তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে একাংশ লোকে। সামাজিক মাধ্যমতো একাংশই জুবিনৰ মন্তব্যক সমৰ্থন কৰি কোনো ব্যক্তিক প্ৰভু ঈশ্বৰ বুলি সম্বোধন কৰা উচিত নহয় বুলি মন্তব্য কৰিলেও আন একাংশই এয়া জুবিন গাৰ্গৰ উদ্ধতালি বুলি তীৰ্যক সমালোচনা কৰা দেখা গৈছে। মাজুলী আধাৰ সত্ৰৰ সত্ৰাধিকাৰ মহেশ গোস্বামীয়েও জুবিন গাৰ্গৰ এনে মন্তব্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। তেওঁ কয়, 'সি যিদৰে ওপৰলৈ উঠিছে তেনেকৈ তললৈ নামিব। সি টকা লৈ গীত গোৱা মানুহ হে। সি মানুহজন অসভ্য। মদ খাই যা-তা কথা কৈ থাকে। তাৰ বাপেক বা তেওঁটো সত্ৰাধিকাৰসকলক খোৱাই-বোৱাই জীয়াই ৰখা নাই। সি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হ'ব আৰু তললৈ নামিব। এনেকুৱা ভাষ্য সি যাতে কোনো মিটিঙত নিদিয়ে।

# কচুবাৰী মহাপ্ৰভু গোপাল জগন্নাথ থান সত্ৰৰ গোঁসাই বাঁহ উৎসৱৰ সামৰণি

**ই-সংবাদ, তামুলপুৰ, ২৩ এপ্ৰিলঃ** তামুলপুৰ মহকুমাৰ কচুবাৰীস্থিত ৫২৪ বছৰীয়া ঐতিহ্যমণ্ডিত মাহপ্ৰভু শ্ৰী শ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰত যোৱা ২০ এপ্ৰিলত দিনযোৰা ধৰ্মীয় কাৰ্যসূচীৰে পালন কৰা হয় গোঁসাই বাঁহ খহোৱা উৎসৱ। গোঁসাই বাঁহ খহোৱা উৎসৱ উপলক্ষে ৰাতিপুৱাৰে পৰা তামুলপুৰ মহকুমাৰ ভিন্ন প্ৰান্তৰ উপৰিও ৰঙিয়া নলবাৰী,বৰমা আদি ঠাইৰ পৰাও ভক্তৰ সমাগম ঘটে। অসমীয়া, বড়ো, ৰাভা, কোচ ৰাজবংশী, কলিতা, শৰণীয়া কছাৰী, হাজং, চানতাল, বঙালী, নেপালী আদিকে ধৰি ভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমাগমেৰে মিলনৰ তীৰ্থ ভূমিলৈ পৰ্যবসিত হৈ পৰে কচুবাৰীৰ মহাপ্ৰভু শ্ৰী শ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰ। পুৱাৰে পৰা নাম-কীৰ্তন, পূজা-অৰ্চনা আদিৰে উদুলি-মুদুলি হৈ পৰে ৫২৪ বছৰ অতিক্ৰম কৰা মহাপ্ৰভু গোপাল আৰু জগন্নাথ থান সত্ৰৰ চৌহদ। দিনৰ ১-০০ বজাত ভকত সকলে ঢোল-তাল বজাই নাম-কীৰ্তন কৰি থান সত্ৰৰ চৌহদ সাতবাৰ পৰিভ্ৰমণ কৰে আৰু হৰিধ্বনি দি গোপাল আৰু জগন্নাথৰ প্ৰতিকী গোঁসাই বাঁহ খহোৱা পৰ্ব সমাপন কৰে। পৰম্পৰাগত বাঁহ খহোৱা উৎসৱৰ লগত সংগতি ৰাখি গোপাল আৰু জগন্নাথ থান সত্ৰৰ অধীনৰ কেবাখনো গাওঁৰ ৰাইজৰ উপৰিও সিমামুৰীয়া অঞ্চলৰ ৰাইজে দল বান্ধি প্ৰীতি ভোজনত মিলিত হয়। প্ৰীতি ভোজনৰ অন্তত শতাধিক স্বেচ্ছাসেৱকে থান সত্ৰত সমবেত হোৱা সমূহ ভক্তপ্ৰাণ ৰাইজৰ মাজত প্ৰসাদ আৰু ভোগ বিতৰণ কৰে। তামুলপুৰ মহকুমাৰ আজিৰ এই ঐতিহ্যমণ্ডিত গোঁসাই বাঁহ খহোৱা উৎসৱলৈ আহি অভিভূত হৈ পৰে অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজ। প্ৰসাদ বিতৰণৰ অন্তত সফল সামৰণি পৰে মহাপ্ৰভু গোপাল আৰু জগন্নাথ থান সত্ৰৰ গোঁসাই বাঁহ খহোৱা উৎসৱৰ। উল্লেখ্য যে পৰম্পৰাগত ভাৱে কচুবাৰীৰ শ্ৰী শ্ৰী গোপাল আৰু জগন্নাথ সত্ৰত পহিলা বহাগ দিনৰ পৰা ৬ বহাগলৈ পালন কৰা হয় বাহঁ গোসাঁই ফুৰোৱা উৎসৱ। য'ত থান সত্ৰ খনৰ অধীনস্থ গাও সমুহৰ প্ৰতিটো পৰিয়ালৰ ঘৰলৈ বাঁহ গোসাঁই ফুৰাবলৈ নিয়া হয়। গোঁসাই বাঁহ ফুৰোৱাৰ লগতে গোঁসাই খহোৱা উৎসৱৰ প্ৰতিটো কাৰ্যসূচীতে অংশগ্ৰহণ কৰা সকলো ধৰ্মপ্ৰাণ ৰাইজকে কচুবাৰী মহাপ্ৰভু শ্ৰী শ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰ পৰিচালনা সমিতিৰ সভাপতি কামেশ্বৰ দাস, সম্পাদক নাৰায়ন দাসে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

## তামুলপুৰত ডেণ্টেল, বি এছ চি নাৰ্ছিং কলেজ স্থাপনৰ প্ৰতিশ্ৰুতি

# নাগ্ৰীজুলিত প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা

**ই-সংবাদ, তামুলপুৰ, ২৩ এপ্ৰিলঃ** অসমত এতিয়া অসমীয়াই বিহু পাতে কুলি কেতেকীৰ মিঠা মাতত। বন্দুক বাৰুদৰ শব্দত নহয়। এতিয়া অসমৰ সমস্যা সমাধান হৈছে। বন্দুক লোৱা সকল নিজ ঘৰলৈ উভতি আহিছে। এই ভাষ্য অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ। আজি ৪নং দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এনডিএৰ প্ৰাৰ্থী দিলীপ কুমাৰ শইকীয়াৰ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰি তামুলপুৰ জিলাৰ নাগ্ৰীজুলিস্থিত খাটৰবাৰী হাইস্কুল খেলপথাৰত এই মন্তব্য আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ কয়- বিটিআৰত এতিয়া শান্তি ঘূৰি আহিছে। ২০১৪ চনত নৰেন্দ্ৰ মোদী ভাৰতৰ প্ৰধানমন্ত্ৰী হোৱাৰ পিছত অসমৰ উগ্ৰপন্থী সমস্যা সমাধান হৈছে। আলফা, এনডিএফবিকে ধৰি অসমৰ বিভিন্ন উগ্ৰপন্থী সকলৰ লগত আলোচনা কৰি শান্তি চুক্তি স্বাক্ষৰ কৰি অসমত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। বিটিআৰত সকলো জাতি জনগোষ্ঠীৰ লোক এতিয়া একেলগ হৈ বহিব পৰা হৈছে। মানুহে মানুহৰ ওচৰ চাপি যাবলৈ সক্ষম হৈছে। দিনে নিশাই কোনো ভয় শংকা নোহোৱাকৈ ঘূৰি ফুৰিব পৰা হৈছে। বিটিআৰত এতিয়া বন্দুক নাই, শান্তি আছে, বোমা নাই ৰাতি গধূলি ওলাব পৰা হৈছে। আন্দোলন, পিকেটিং, ধৰ্ণা, বন্ধ নাই। মানুহে মানুহৰ লগত বহি মুকলি মনেৰে ঘূৰিব পৰা এক পৰিৱেশ সৃষ্টি হৈছে। কিন্তু এইখিনি কাম কংগ্ৰেছৰ শাসনকালত কংগ্ৰেছ আৰু হাগ্ৰামাৰ শাসনকালত বিপিএফ এ শেষ কৰিব পাৰিলেহেঁতেন। তেওঁলোকে এইখিনি কাম কৰিলে অসমত তথা বিটিআৰত কেতিয়াবাই শান্তি ঘূৰি আহিলহেঁতেন। এই কথা সম্ভৱ হল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হোৱাৰ পিছত দি অহা প্ৰতিশ্ৰুতি সমূহ পালন কৰি আহিছে আৰু সেই প্ৰতিশ্ৰুতি অনুসৰিয়েই অসমত ইতিমধ্যে একলাখ নিবনুৱা যুৱক যুৱতীক এটকাও ঘোষ নিদিয়াকৈ চাকৰি দিয়া কাম সম্পন্ন কৰা হল। কিন্তু কংগ্ৰেছৰ দিনত চৰকাৰী চাকৰি ঘোষ দিহে লব লগা হৈছিল। এই প্ৰসংগত তেওঁ আগন্তুক দিনত পুনৰ ৫০০০০ নিবনুৱা যুৱক যুৱতীক চাকৰি দিয়া আৰু জুলাই মাহৰ ভিতৰত আৰক্ষী বিভাগৰ সাক্ষাৎকাৰ লোৱা হব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। ৰাজহুৱা বিশাল সভাত উপস্থিত থকা হেজাৰ হেজাৰ জনতাক উদ্দেশ্যি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নিৰ্বাচনৰ অন্তত ৰেচন কাৰ্ড থকা প্ৰতিটো পৰিয়ালকে অৰুণোদয় আঁচনি দিয়াৰ লগতে ছাত্ৰ ছাত্ৰী সকলক বিনামূলীয়াকৈ কলেজ নামভৰ্তিৰ ব্যৱস্থা কৰা হব বুলি প্ৰতিশ্ৰুতি দিয়ে। বিশাল ৰাজহুৱা সভাখনত তামুলপুৰত নিৰ্মানৰত পগলাদিয়া দলঙৰ নিৰ্মান কাম অচিৰেই সম্পূৰ্ণ কৰা হ'ব, ২০২৬ চনৰ আগত তামুলপুৰ মেডিকেল কলেজ সম্পূৰ্ণ কৰাৰ লগতে তামুলপুৰত এখন বিএছচি নাৰ্ছিং কলেজ আৰু এখন ডেণ্টেল কলেজ স্থাপনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজিৰ এই নিৰ্বাচনী সভাতেই গোৰ্খা সকলৰ সমস্যা প্ৰায় সমাধান হোৱা বুলি উল্লেখ কৰি অহা ছয় মাহৰ ভিতৰত বাঙালী সকলৰ 'ডি' ভোটাৰৰ সমস্যা, বায়'মেট্ৰিকৰ সমস্যা সমাধান কৰাৰ লগতে বিটিআৰৰ জনসাধাৰণৰ মাটিবাৰীৰ সমস্যা সমাধান কৰা হব বুলিও প্ৰতিশ্ৰুতি প্ৰদান কৰে। দেশত তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোডীক প্ৰধানমন্ত্ৰী বনাবলৈ ৪ নং দৰং ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াক পদুম ফুলৰ চবিত ভোট দি অভিলেখ সংখ্যক ভোটেৰে দিলীপ শইকীয়াক ভোট দি নৰেন্দ্ৰ মোদীৰ হাত শক্তিশালী কৰিবলৈ ৰাইজক আহ্বান জনায়। আজিৰ নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰি বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে কয়- বিগত তিনি বছৰত তামুলপুৰ বিধানসভা সমষ্টিত উন্নয়নৰ কামৰ বাবে ১৫ হাজাৰ কোটি টকাৰ আঁচনি গ্ৰহণ কৰিছে। স্বাধীনতাৰ ৭৫ বছৰ পিছতো এইয়া সম্ভৱ হোৱা নাছিল। কিন্তু এতিয়া এইয়া সম্ভৱ হৈছে নৰেন্দ্ৰ মোডী ভাৰতৰ প্ৰধানমন্ত্ৰী হোৱাৰ পিছত আৰু সুদক্ষ তথা জনপ্ৰিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বাবে। অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সদায় ৰাইজৰ বাবে ভাল খবৰ লৈ আহে বুলিও প্ৰমোদ বড়োৱে মন্তব্য কৰে। তেওঁ আগন্তুক নিৰ্বাচনত দৰং ওদালগুৰি লোকসভা সমষ্টিত এন ডি এ ৰ প্ৰাৰ্থী দিলীপ শইকীয়া বিপুল ভোটৰ ব্যৱধানত জয়ী হব বুলি দৃঢ়তাৰে মন্তব্য কৰে। সভাখনত উপস্থিত থাকি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্ম, অগপৰ সাধাৰণ সম্পাদক তথা প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী ডাঃ কমলা কলিতাই এন ডি এ ৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ সমৰ্থনত ভাষণ ৰাখে। সভাত বিধায়ক জলেন দৈমাৰী, সুশান্ত বৰগোহাঁই, মানৱ ডেকা, বিটিআৰৰ কাৰ্যবাহী সদস্য ডঃ ধৰ্মনাৰায়ন দাস, ৰনেন্দ্ৰ নাৰ্জাৰী, এমচিএলএ বিজিত গৌৰা নাৰ্জাৰী, হেমন্ত কুমাৰ ৰাভা, পৱিত্ৰ কুমাৰ বড়ো, তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাস, গোৰেশ্বৰ সমষ্টিৰ প্ৰভাৰী ভৱেশ ডেকা যুৱ বিজেপি নেতা কৰণ ছেত্ৰী, সুকুমাৰ দাস, ভজন দাস, বাপন দাস, ইউপিপিএল নেতা গণেশ নাথ, পৰিমল শীল, উৎপল তালুকদাৰ, অগপ নেতা হাৰেশ্বৰ স্বৰ্গীয়াৰী, ভবেন ৰাজবংশীকে ধৰি বিভিন্ন দল সংগঠনৰ নেতা কৰ্মী আৰু কেইবা সহস্ৰাধিক জনসাধাৰণ উপস্থিত থাকে।

## মৰিগাঁৱৰ নিৰ্বাচনী সভাত বিধায়ক অখিল গগৈৰ তীব্ৰ কটাক্ষ

# মুছলমানৰ ভোট কিনিবলৈ টকাৰ টোপোলা লৈ ফুৰে পীয়ুষে!

**ই-সংবাদ, মৰিগাঁও, ২৩ এপ্ৰিলঃ** নগাঁও লোকসভা সমষ্টিৰ ইণ্ডিয়া মিত্ৰজোঁটৰ সমৰ্থিত কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুত বৰদলৈৰ হৈ আজি মৰিগাঁৱত নিৰ্বাচনী প্ৰচাৰ চলায় ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। মৰিগাঁও চহৰৰ সদৰ বিহুতলিত আজি অনুষ্ঠিত কংগ্ৰেছ দলৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি কৃষক নেতা অখিল গগৈয়ে কয় যে, বিজেপি চৰকাৰে লাখপতি বাইদেউ, অৰুণোদয়, মাইক্ৰ ফাইনেন্সৰ ঋণ ৰেহাই আদি আঁচনিসমূহেৰে সৰ্বসাধাৰণ ৰাইজক ৰামঠগন দি আহিছে। কিন্তু ৰাইজে এতিয়া সকলো বুজি পাইছে। তেঁও ভাষণ প্ৰসংগত কয় যে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মিঞা মুছলমানৰ ভোট বিজেপিক নালাগে বুলি দম্ভালি মাৰি অবশেষত সেই সকলৰ ভোটেৰে নিৰ্বাচনী বৈতৰণী পাৰ হবলৈ সৰ্বাধিক সময় খৰচ কৰাত লাগি পৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰিয়পাত্ৰ মন্ত্ৰী পীয়ুষ হাজৰিকাই নগাঁৱত মিঞাৰ নেতা হ'বৰ বাবে পগলা হৈ গৈছে। হঠাৎ কিয় মিঞা সকলৰ প্ৰতি গদ গদ হৈ পৰিছে মুখ্যমন্ত্ৰী। হঠাৎ কিয় ইমান মিঞাপ্ৰীতি জাগিছে মন্ত্ৰী পীয়ুষ হাজৰিকাৰ। সেই লৈ ৰাইজ কৌতুহলী হৈ পৰিছে। অখিল গগৈয়ে মন্ত্ৰী পীয়ুষ হাজৰিকাই মুছলমানৰ ভোট কিনাৰো অভিযোগ উত্থাপন কৰে৷ মুছলমানৰ ভোট কিনিবলৈ টকাৰ টোপোলা লৈ নগাঁৱত পীয়ুষ হাজৰিকাই বাহৰ পাতিছে বুলিও দাবী কৰে৷ অখিল গগৈয়ে আৰু কয় যেবিজেপি দল মিঞাৰ ওপৰত নিৰ্ভৰশীল হৈছে৷ হিমন্ত বিশ্ব শৰ্মা লুটিবাগৰ মৰাত পাৰ্গত৷ হিন্দু ৰাষ্ট্ৰৰ কৰিব খোজা বিজেপি এতিয়া মিঞা ভোটৰ বাবে পাগল হৈছে৷ মুছলমানক ভৰিত ধৰি সেৱা ল'বলগীয়া হৈছে৷ তেঁও কয় যে নগাঁও লোকসভা সমষ্টিত দুটা সাম্প্ৰদায়িক দলৰ বিৰুদ্ধে এজন ধৰ্ম নিৰপেক্ষ প্ৰাৰ্থী আছে। গতিকে এই ধৰ্ম নিৰপেক্ষ প্ৰাৰ্থী কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈ জিকাটো এশ শতাংশই নিশ্চিত। আনহাতে দেশৰ সংবিধান ৰক্ষাৰ কৰাৰ স্বাৰ্থত, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ লগতে সাম্প্ৰদায়িক ৰাজনীতিৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে কংগ্ৰেছ মিত্ৰজোটৰ প্ৰাৰ্থী প্ৰদুৎ বৰদলৈক বিপুল ভোটেৰে জয়যুক্ত কৰিবলৈ তেওঁ উপস্থিত ৰাইজক আহ্বান জনায়। তেঁও লোকসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ সন্দৰ্ভত কয় যে, হে যোৱা উজনি অসমৰ ৫ সমষ্টিৰ নিৰ্বাচনত বিজেপি আটাইকেইটা সমষ্টিতে হাৰিলেও আচৰিত হব লগা একো নাই। আজিৰ এই নিৰ্বাচনী প্ৰচাৰ সভাত উপস্থিত থাকি ভাৰতৰ কমিউনিষ্ট পাৰ্টি (চিপিআই)ৰ ৰাষ্ট্ৰীয় নেতা তথা প্ৰাক্তন বিধায়ক মুনীন মহন্তই ভাষণ প্ৰসংগত কয় যে, যোৱা দহটা বছৰত দেশবাসীৰ প্ৰতি বহু অন্যায় কৰিলে মোডী নেতৃত্বাধীন বিজেপি চৰকাৰ খনে। দেশত দৰিদ্ৰতা বাঢ়িল, সামগ্ৰীৰ মূল্য বৃদ্ধিত ককবকাবলৈ ধৰিছে দেশৰ জনতা। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ বিজেপিক উৎখাত কৰিবলৈ তেঁও ৰাইজৰ প্ৰতি আহ্বান জনায়। সভাত নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী তথা বৰ্তমানৰ সাংসদ প্ৰদ্যুত বৰদলৈ, অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক বাণী দাস, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ সুপ্ৰীয়া শ্ৰীনেত, অসম প্ৰদেশ কংগ্ৰেছৰ জেষ্ঠ মুখপাত্ৰ ইমদাদ হুছেইন, মৰিগাঁও জিলা কংগ্ৰেছৰ সভাপতি শ্ৰৱণ কুমাৰ ডেকাৰজা, প্ৰচাৰ কোষৰ সভাপতি জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰমেশ বৰদলৈৰ উপৰিও বহুকেইজন জ্যেষ্ঠ কংগ্ৰেছ নেতা উপস্থিত থাকে।

# কোকৰাঝাৰৰ গোসাঁইনিচিনাত বিপিএফৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি

**ই-সংবাদ, কোকৰাঝাৰ, ২৩ এপ্ৰিলঃ** লোকসভা নিৰ্বাচন উপলক্ষে আজি বিপিএফ দলে কোকৰাঝাৰ জিলাৰ গোসাঁইনিচিনা ৰাজহুৱা প্ৰেক্ষাগৃহত নিৰ্বাাচনী ইস্তাহাৰ মুকলি কৰে। বিটিচিৰ প্ৰাক্তন উপমুখ্য কাৰ্যবাহী তথা ১ নং কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী খাম্পা বৰগয়াৰীয়ে আনুষ্ঠানিকভাৱে আজি নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। নিৰ্বাচনী ইস্তাহাৰ মুকলি অনুষ্ঠানত বিধায়ক ৰবিৰাম নাৰ্জাৰী, বিটিচিৰ পাৰিষদ দেৰহাছাৎ বসুমতাৰী আদিকে ধৰি বিপিএফৰ বহু বিশিষ্ট নেতা উপস্থিত আছিল। ইপিনে নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰাৰ পিছত বিটিচিৰ প্ৰাক্তন উপমুখ্য কাৰ্যবাহী তথা ১ নং কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী খাম্পা বৰগয়াৰীয়ে কয় যে কোচ ৰাজবংশী আৰু আদিবাসী জনগোষ্ঠীৰ জনজাতিকৰনৰ দাবীক সমৰ্থন আৰু ইয়াৰ বাবে মাত মাতি যাব বুলি ইস্তাহাৰত প্ৰকাশ কৰা হৈছে।মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষনক সমৰ্থন, আশাকৰ্মী,, অংগনাবাদী আৰু ৰান্ধনী কৰ্মী-সহায়িকাৰ দৰমহা বৃদ্ধিৰ প্ৰতিশ্ৰুতি, ভাৰত -ভূটান সীমান্তৱৰ্তী এলেকা উল্টাপানী, সৰলপাৰাত বিদ্যুত যোগানৰ প্ৰতিশ্ৰুতি,নিৰ্বাচনী ইস্তাহাৰত সন্নিবিষ্ট কৰিছে বিপিএফ দলে।

# শেষ পৃষ্ঠা

## মাজুলীত সদৌ অসম ভাওনা সন্মিলনৰ বৈঠক সম্পন্ন

**ই-সংবাদ, ২৩ এপ্ৰিলঃ** মাজুলীৰ শ্ৰী শ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰৰ চ'ৰাত আজি সভাপতি ডঃ পীতাম্বৰ দেৱগোস্বামীৰ সভাপতিত্বত সদৌ অসম ভাওনা সন্মিলনৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক বৈঠক অনুষ্ঠিত হৈ যায়। প্ৰধান সম্পাদক ডঃ মাণিক শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সন্মিলনে বৰ্তমানলৈকে সম্পন্ন কৰা কাৰ্যসূচীসমূহৰ পৰ্যালোচনা কৰাৰ উপৰিও আগন্তুক সময়ত ৰূপায়ণ কৰিবলগীয়া কাৰ্যসূচীসমূহৰ বিষয়ে আলোচনা কৰা হয়। সেই অনুক্ৰমে অহা অক্টোবৰ মাহত তিনি দিনীয়াকৈ এক কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীত এখন অংকীয়া, এখন সত্ৰীয়া পৰম্পৰাৰ আৰু এখন মাতৃভাষাৰ ভাওনা পৰিৱেশন আৰু বিচাৰকসকলৰ আলোচনাৰ দিহা কৰা হ'ব। এই কাৰ্যসূচী ৰূপায়ণৰ বাবে প্ৰভাত বৰা বুঢ়াভকত, বাবুল বৰা আৰু যতীন বৰাক দায়িত্ব দিয়া হয়। বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয় যে কোনো ব্যক্তি বা সংগঠনে যাতে সামাজিক বা অন্য মাধ্যমত সন্মিলনক অযথা টানি আনি হেয় কৰিব পৰা ধৰণৰ কাৰ্যত লিপ্ত নহয়। এনে কাৰ্যত জড়িতসকলৰ বিৰুদ্ধে প্ৰয়োজন সাপেক্ষে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অৱশ্যে তেনে কোনো বিবদমান বিষয় থাকিলে লিখিতভাৱে জনালে সন্মিলনে যথা ব্যৱস্থা গ্ৰহণ কৰিব। বৈঠকত প্ৰতিখন জিলা সমিতিয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ দহ জনকৈ লোকক আমন্ত্ৰিত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনায়। মাজুলী, যোৰহাট, শিৱসাগৰ, ধেমাজি, তিনিচুকীয়া,গোলাঘাট, লখিমপুৰ আদি জিলাৰ প্ৰতিনিধিৰ উপৰিও অসমৰ বিভিন্ন প্ৰান্তৰ বহুসংখ্যক লোক উপস্থিত থকা বৈঠকত গুৱাহাটী মহানগৰ জিলা সমিতিয়ে প্ৰণয়ন কৰিবলৈ লোৱা ভাওনা সম্পৰ্কীয় "কোষ গ্ৰন্থ"খনিৰ ক্ষেত্ৰত কেন্দ্ৰীয় সমিতিক জড়িত কৰিবলৈ পৰামৰ্শ দিয়ে।


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON


## কি হৈছে? তিনিচুকীয়াৰ ষ্ট্ৰং ৰূমত চিচিটিভি কেমেৰা বিকল

**ই- সংবাদ,তিনিচুকীয়াঃ** ই ভি এম টেম্পাৰিঙৰ জড়িয়তে শাসকীয় পক্ষই লোকসভা নিৰ্বাচনত জয়ী হোৱাৰ নিকৃষ্ট ষড়যন্ত্ৰত লিপ্ত হ'ব পাৰে বুলি বিভিন্ন ৰাজনৈতিক দলে আশংকা ব্যক্ত কৰি অহাৰ সময়তে দেওবাৰে নিশা প্ৰায় ৪ ঘন্টা ধৰি তিনিচুকীয়া চহৰৰ সৰ্বানন্দ সিংহ ষ্টেডিয়ামত স্থাপন কৰা ষ্ট্ৰং ৰূমত বিদ্যুৎ যোগান ব্যাহত হয়। ইয়াৰ লগে লগে ষ্ট্ৰং ৰূমত স্থাপন কৰা চিচিটিভি কেমেৰাসমূহো বিকল হোৱা বুলিও কেইবাটাও বিৰোধী ৰাজনৈতিক দলে অভিযোগ উত্থাপন কৰে আৰু বিষয়টোৱে সামাজিক মাধ্যমতো ব্যাপক প্ৰচাৰ লাভ কৰে। ডিব্ৰুগড় লোকসভা সমষ্টিত পৰাজয়ৰ আশংকাত শাসকীয় পক্ষই এনে নিকৃষ্ট কাৰচাজি চলাব পাৰে বুলিও একাংশই ধাৰণা কৰিছে। উল্লেখ্য যে দেওবাৰে নিশা প্ৰায় ২.২০ বজাৰ পৰা প্ৰায় চাৰি ঘন্টা সময় ধৰি তিনিচুকীয়াৰ ষ্ট্ৰং ৰূমত বিদ্যুত যোগান ব্যাহত হৈছিল আৰু এই বিষয়ে ১৩ নং ডিব্ৰুগড় লোকসভা সমষ্টিৰ আম আদমি পাৰ্টীৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে বিষয়টো সামাজিক মাধ্যমত পোষ্ট কৰি ই এক ৰহস্যজনক বিষয় বুলি উল্লেখ কৰে। পৰৱৰ্তী সময়ত তেওঁ বিষয়টো সংবাদ মাধ্যমৰো দৃষ্টিগোচৰ কৰে। যাৰ বাবে ইয়াকে লৈ ৰাজনৈতিক দলসমূহৰ মাজত নিমিষতে হৈ চৈ লাগে।বিষয়টোৰ সন্দৰ্ভত সকলোৱে জিলা আয়ুক্তক অভিযোগো কৰে।ইয়াৰ পৰিপ্ৰেক্ষিতত আজি দিনৰ ভাগত জিলা আয়ুক্ত স্বপ্নীল পালে এক সংবাদমেল সম্বোধন কৰি যোৱা নিশা ষ্ট্ৰং ৰূমৰ চিচিটিভি কেমেৰা বহু সময় ধৰি বিকল হৈ পৰা বুলি উত্থাপিত অভিযোগ পোনচাতেই নাকচ কৰে। তেওঁ এই অভিযোগ খণ্ডন কৰি কয় যে, যোৱা নিশা ২.২০ বজাত বৈদ্যুতিক বিজুতিৰ বাবে কিছু সময়ৰ বাবে ষ্ট্ৰং ৰূমৰ ক্ল'জ চাৰ্কিট



টিভিৰ মনিটৰ বন্ধ হৈ পৰিছিল। তাৎক্ষণিকভাৱে ইয়াক মেৰামতি কৰিবলৈ গভীৰ নিশা হোৱা বাবে উপযুক্ত লোক নথকাত কিছু সময় ধৰি মনিটৰে কাম কৰা নাছিল। পৰৱৰ্তী সময়ত পুৱা ৬ বজাত ইয়াৰ মেৰামতি কৰি পুন:সংযোগ স্থাপন কৰা হয় । এই ঘটনা এটা সাধাৰণ যান্ত্ৰিক বিজুতি বুলি উল্লেখ কৰি জিলা আয়ুক্তগৰাকীয়ে আৰু কয় যে, সেই সময়চোৱাত চিচিটিভি কেমেৰাসমুহে সঠিকভাৱেই কাম কৰি আছিল। চিচিটিভি কেমেৰাৰ ফুটেজ কোনোবাই প্ৰত্যক্ষ কৰিব বিচাৰিলে উক্ত সময়ৰ ৰেকৰ্ডিং দেখুৱাবলৈ জিলা প্ৰশাসন প্ৰস্তুত আছে বুলি জিলা নিৰ্বাচন বিষয়াগৰাকীয়ে স্পষ্ট কৰি দিয়ে । একাংশ লোকে অভিযোগ কৰাৰ দৰে এই ঘটনাত কোনো ৰহস্য নাই । কিয়নো ছীল হৈ থকা ষ্ট্ৰং ৰূমৰ একেবাৰে কাষতে সকলো ৰাজনৈতিক দল বা প্ৰাৰ্থীসকলৰ নিজা নিজা প্ৰতিনিধিয়ে অনবৰতে পহৰা দি আছে। তেনেস্থলত মনিটৰৰ সামান্য বিজুতিয়ে কোনো অঘটন ঘটাব নোৱাৰে। নিৰ্বাচন আয়োগৰ কঠোৰ নিৰীক্ষণত নিৰ্বাচন সংক্ৰান্তীয় সকলো কাম-কাজ সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন কৰা হৈছে বুলি তেওঁ সংবাদমেলত দৃঢ় মত প্ৰকাশ কৰে ।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান